**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-05-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। লোকসভাৰ পৰৱৰ্তী ৩টা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ তুংগত। আজি উত্তৰ প্ৰদেশত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ, ওড়িশাত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ আৰু অমৃতসৰত আপৰ আহ্বায়ক অৰবিন্দ কেজৰিৱালৰ জনসভা।

২। লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন।

৩। '**কা**'ৰ অধীনত প্ৰথম পৰ্যায়ৰ নাগৰিকত্ব প্ৰমাণপত্ৰ প্ৰদানৰ সিদ্ধান্তক কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ প্ৰশংসা।

৪। মুখ্যমন্ত্ৰীৰ প্ৰতিক্ৰিয়াৰ পাছতে কটন বিশ্ববিদ্যালয়ৰ ভূমি আৰণ্টনৰ সিদ্ধান্ত প্ৰত্যাহাৰ।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি গুজৰাট টাইটানছ, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মুখামুখি।

০০০০০০

লোকসভা নিৰ্বাচনৰ ইতিমধ্যে ভোটগ্ৰহণ অনুষ্ঠিত হৈ যোৱা ৪টা পৰ্যায়ৰ পৰিৱেশ-পৰিস্থিতি পৰ্যালোচনা কৰি বাকী থকা ৩টা পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে ৰাজনৈতিক দলসমূহে অধিক আগ্ৰাসী ৰূপত নিৰ্বাচনী প্ৰচাৰ চলোৱা পৰিলক্ষিত হৈছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি মহাৰাষ্ট্ৰত কেইবাখনো নিৰ্বাচনী সভাত অংশ লোৱাৰ লগতে ৰোড শ্ব'ৰ জৰিয়তে ভোটদাতাৰ দৃষ্টি আকৰ্ষণ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি উত্তৰ প্ৰদেশৰ লালগঞ্জ, জৌনপুৰ, ভাদোহী আৰু প্ৰতাপগড়ত ৪খন জনসভাক সম্বোধন কৰিব।

ইফালে কালি পশ্চিমবংগ আৰু ওড়িশাৰ কেইবাটাও স্থানত জনসভা আৰু ৰোড শ্ব'ত অংশগ্ৰহণ কৰা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে বিজেপি নেতৃত্বাধীন এন ডি এয়ে পশ্চিমবংগত ২৫ৰ পৰা ৩০খন আসন দখল কৰিব বুলি মন্তব্য কৰে। শ্ৰীশ্বাহে আজি বিহাৰৰ মধুবনী আৰু সীতামঢ়ীত দুখন জনসভাত অংশ ল'ব।

অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মায়ো কালি ঝাৰখণ্ডত ৩খন নিৰ্বাচনী সভাত অংশ লয়। ইয়াৰ পিছতে ৰাঁচীত এখন সংবাদমেলো সম্বোধন কৰে। ঝাৰখণ্ডৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈ ড০ শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে আদৰাৰ লগতে শ্ৰীমোদীৰ নেতৃত্বত বিকশিত ভাৰত নিৰ্মাণত অংশীদাৰ হ'বলৈ জনসাধাৰণক আহ্বান জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ওড়িশাৰ ভূবনেশ্বৰ, বাৰাগড় আৰু সুন্দৰগড় লোকসভা সমষ্টিত ৪খনকৈ জনসভাত অংশগ্ৰহণ কৰিব।

আম আদমী পাৰ্টিৰ আহ্বায়ক তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে আজি অমৃতসৰত পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানৰ সৈতে এটা ৰোড শ্ব'ত অংশ ল'ব।

ইপিনে উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত কালি বিৰোধী মিত্ৰজোঁটে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু সমাজবাদী পাৰ্টিৰ নেতা অখিলেশ যাদৱৰ উপস্থিতিত এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলখনত কংগ্ৰেছৰ সভাপতিগৰাকীয়ে লোকসভা নিৰ্বাচনৰ পাৰ হৈ যোৱা ৪টা পৰ্যায়ৰ ভোটগ্ৰহণৰ পিছত বিৰোধী মিত্ৰজোঁটৰ অৱস্থা যথেষ্ট শক্তিশালী বুলি মন্তব্য কৰাৰ লগতে ৪ জুনত মিত্ৰজোঁটেই চৰকাৰ গঠন কৰিব বুলি দাবী কৰে। খাৰ্গেই আজি ওড়িশাৰ কান্ধামালত এখন জনসভাত উপস্থিত থাকি নিৰ্বাচনী প্ৰচাৰ চলাব। ইয়াৰ পিছতে তেওঁ ভূৱনেশ্বৰত এখন সংবাদমেলো সম্বোধন কৰিব।

oooooo

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে মনোনয়ন দাখিল আৰু মনোনয়ন পত্ৰসমূহ পৰীক্ষা পৰ্বৰ অন্ত পৰাৰ পাছত কাইলৈ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব। অহা ১ জুনত সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। এই পৰ্যায়ত ৭খন ৰাজ্য আৰু এটা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৫৭টা সমষ্টি সামৰি লোৱা হ'ব।

ইফালে নিৰ্বাচন আয়োগে কালি লোকসভা নিৰ্বাচনৰ পঞ্চম আৰু ষষ্ঠ পৰ্যায়ৰ প্ৰস্তুতিৰ পৰ্যালোচনা চলায়। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ আৰু নিৰ্বাচন আয়ুক্তদ্বয় জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধুৱে কালি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে পঞ্চম আৰু ষষ্ঠ পৰ্যায়ত ভোটগ্ৰহণ হ'বলগীয়া ৪৯টা আৰু ৫৭টা সংসদীয় সমষ্টিত নিয়োজিত পৰ্যাৱেক্ষকসকলৰ সৈতে বৈঠকত মিলিত হয়।

oooooo

নাগৰিকত্ব সংশোধনী নিয়ম ২০২৪ৰ অধীনত কালি প্ৰথম পৰ্যায়ৰ নাগৰিকত্ব প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। কেন্দ্ৰীয় গৃহ সচিব অজয় কুমাৰ ভাল্লাই কালি নতুন দিল্লীত একাংশ আবেদনকাৰীক নাগৰিকত্বৰ প্ৰমাণপত্ৰ প্ৰদান কৰে। উল্লেখযোগ্য যে এই নিয়মৰ অধীনত ১৪গৰাকী আবেদনকাৰীক নাগৰিকত্ব প্ৰদানৰ বাবে চৰকাৰে সিদ্ধান্ত গ্ৰহণ কৰে। শ্ৰীভাল্লাই আবেদনকাৰীসকলক অভিনন্দন জ্ঞাপন কৰি চলিত বছৰৰ যোৱা ১১ মাৰ্চত অধিসূচনা জাৰি কৰা নাগৰিকত্ব সংশোধনী নিয়মাৱলী সন্দৰ্ভত আলোকপাত কৰে। এই নিয়মৰ অধীনত পাকিস্তান, বাংলাদেশ আৰু আফগানিস্তানৰ পৰা ভাৰতলৈ অহা হিন্দু, শিখ, জৈন, বৌদ্ধ, পাৰ্চি আৰু খ্ৰীষ্টান সম্প্ৰদায়ৰ লোকসকলৰ নাগৰিকত্বৰ আবেদন গ্ৰহণ কৰা হৈছিল।

ইপিনে সামাজিক মাধ্যমযোগে নাগৰিকত্ব সংশোধনী আইনৰ অধীনত নাগৰিকত্ব প্ৰদানৰ সিদ্ধান্তক প্ৰশংসা কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে এন ডি এ চৰকাৰে স্বাধীনতাৰ সময়তে দিয়া প্ৰতিশ্ৰুতি পূৰণ হোৱা বুলি মন্তব্য কৰে।

oooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সামাজিক মাধ্যমযোগে ৰাজ্য চৰকাৰে ইয়াৰ কোনো সম্পত্তিকে ব্যক্তিগত সংগঠন বা ব্যক্তিক হস্তান্তৰ কৰিবলৈ অনুমতি প্ৰদান নকৰে বুলি স্পষ্ট কৰি দিয়াৰ পাছতে কটন বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই কালি বিয়লি এখন জাননীৰ জৰিয়তে বিশ্ববিদ্যালয়খনৰ ভূমি আৱণ্টৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰা বুলি অৱগত কৰে। উল্লেখযোগ্য যে কটন বিশ্ববিদ্যালয়ৰ ভূমি আৱণ্টনৰ সিদ্ধান্তক লৈ সৃষ্টি হোৱা বিতৰ্ক সন্দৰ্ভত বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক ড০ অৰিন্দম গাৰ্গে এইবুলি কৈছিল যে, ছাত্ৰ-ছাত্ৰীৰ কেণ্টিন, ফটোষ্টেট তথা ষ্টেশ্যনেৰী বিপণী আদিৰ দৰে প্ৰয়োজনসমূহ পূৰণ কৰিবলৈ বিশ্ববিদ্যালয়খনত এখন স্থায়ী সমিতি গঠন কৰা হৈছে। ইয়াৰ বাহিৰে বিশ্ববিদ্যালয়ৰ ভূমি সন্দৰ্ভত কোনো কথা বতৰা হোৱা নাই বুলি তেওঁ উল্লেখ কৰিছিল।

oooooo

অসম বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদ চমুকৈ এছটেকৰ উদ্যোগত তথা কৰ্ণাটক ৰাজ্যিক বিজ্ঞান প্ৰযুক্তি পৰিষদৰ সহযোগত বেংগালুৰুত যোৱা ১৩ মে'ৰ পৰা ৫ দিনীয়াকৈ বিজ্ঞান দৰ্শন শীৰ্ষক এলানি বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰীৰ **বিজ্ঞান প্ৰতিভা সন্ধান আঁচনিৰ** প্ৰথম পৰ্যায়ত নিৰ্বাচিত ৰাজ্যৰ ৯৮ গৰাকী শিক্ষাৰ্থীক এই কাৰ্যসূচীৰ অধীনত বেংগালুৰুত থকা কেইবাটাও উচ্চস্তৰীয় বিজ্ঞান প্ৰতিষ্ঠান তথা গৱেষণাগাৰ পৰিদৰ্শনৰ সুবিধা আগবঢ়োৱা হয়। এছটেকৰ বিজ্ঞানী তথা বিষয়াৰ তত্বাৱধানত যোৱা শিক্ষাৰ্থীৰ দলটোৱে ইতিমধ্যে বেংগালুৰুস্থিত ইণ্ডিয়ান ইনষ্টিটিউট অৱ ছায়েন্সত বাহৰ পাতি আন্তঃৰাষ্ট্ৰীয় সুখ্যাতি থকা বিজ্ঞান গৱেষণা প্ৰতিষ্ঠানটোৰ গুৰুত্বপূৰ্ণ বিভাগসমূহৰ লগতে হিন্দুস্তান এৰ'নটিক্স লিমিটেডৰ ঐতিহ্যকেন্দ্ৰ তথা এৰ'স্পেচ সংগ্ৰহালয়, ছাৰ এম ভি ৰেইন ৱাটাৰ হাৰ্ভেষ্টিং থীম পাৰ্ক, ইন্দিৰা গান্ধী মিউজিকেল ফাউণ্টেইন আৰু ইছৰোৰ ইউ আৰ ৰাও ছেটেলাইট চেণ্টাৰ পৰিদৰ্শন কৰে। ইয়াৰ লগতে শিক্ষাৰ্থীসকলে দেশৰ প্ৰসিদ্ধ বিজ্ঞানীসকলৰ সৈতে আলোচনা তথা মত বিনিময় আলোচনাতো মিলিত হয়। ইফালে বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই কালি বেংগালুৰুত শিক্ষাৰ্থীৰ দলটোৰ সৈতে মিলিত হয় মত বিনিময় কৰে। মত বিনিময় অনুষ্ঠানত এছটেকৰ সঞ্চালক ড০ জয়দ্বীপ বৰুৱা, অসম ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ সঞ্চালক তথা বিজ্ঞান-প্ৰযুক্তিবিদ্যা আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ বিশেষ সচিব পি এল এন ৰাজু উপস্থিত থাকে।

oooooo

আজি ৰাষ্ট্ৰীয় ডেংগু দিৱস। ডেংগু সন্দৰ্ভত জনসাধাৰণৰ মাজত সচেতনতা আৰু সতৰ্কতা বৃদ্ধি কৰাৰ লগতে প্ৰতি বছৰে আজিৰ দিনটোত বিভিন্ন সজাগতা সভা, বাটৰ নাট আদি অনুষ্ঠিত কৰি অহা হৈছে। এই বছৰৰ ডেংগু দিৱসৰ বিষয় বস্তু – সম্প্ৰদায়ৰ সৈতে সংযোগ স্থাপন, ডেংগু নিয়ন্ত্ৰণ। দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো ৰাষ্ট্ৰীয় ডেংগু দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কৰিমগঞ্জৰ জিলা আয়ুক্ত মৃদুল যাদৱে জিলাখনৰ বাসিন্দাসকলক আজি পুৱা ১০ বজাৰ পৰা ১০ বাজি ১০ মিনিটলৈ নিজৰ নিজৰ বাসস্থানৰ জলভাগ পৰিষ্কাৰ কৰা, পানীৰ পাত্ৰ খালী কৰা, ফুলৰ টাবৰ পানী সলনি কৰা আৰু পানীৰ টেংকীত আৱৰণ দি আজিৰ দিনটো শুকান দিৱস হিচাপে পালন কৰিবলৈ আহ্বান জনাইছে।

oooooo

কামৰূপ মহানগৰ জিলাত চৰকাৰী বিভাগসমূহৰ অধীনত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ কাম-কাজৰ খতিয়ান সন্দৰ্ভত কালি মাহিলী পৰ্যালোচনা বৈঠক সম্পন্ন হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত কামৰূপ মহানগৰ জিলা উন্নয়ন সমিতিৰ আয়ুক্ত পাৰিজাত ভূঞাই অধ্যক্ষতা কৰে। সভাত বিভিন্ন চৰকাৰী আঁচনিসমূহ নিৰ্দিষ্ট সময়ৰ ভিতৰত ৰূপায়ণ কৰাৰ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰূপায়িত আঁচনিসমূহৰ বিষয়েও পৰ্যালোচনা কৰা হয়। সংশ্লিষ্ট বিভাগসমূহৰ নিজৰ নিজৰ চৰকাৰী আঁচনি তথা প্ৰকল্প ৰূপায়ণ সম্পৰ্কীয় তথ্য সভাত আলোচনা কৰা হয়। বৈঠকত কামৰূপ মহানগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া ধীৰাজ দাস, উপ মুখ্য কাৰ্যবাহী বিষয়া সমীপ ডেকা, সহকাৰী আয়ুক্ত ৰিচি বন্দনা গগৈ আৰু জিলাখনৰ বিভিন্ন বিভাগৰ বিষয়া তথা প্ৰতিনিধি উপস্থিত থাকে।

oooooo

খানাপাৰাত থকা অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত কালি অসম এথলেটিকছ সন্থাৰ এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। কেবিনেট মন্ত্ৰী তথা সন্থাৰ সভাপতি জয়ন্ত মল্লবৰুৱাই এই সভাখনত অধ্যক্ষতা কৰি ৰাজ্যৰ উদীয়মান খেলুৱৈসকলৰ উন্নতমানৰ প্ৰশিক্ষণৰ বাবে গুৱাহাটীত এখন এথলেটিকছ একাডেমী

নিৰ্মাণৰ সম্পৰ্কত সন্থাৰ সদস্য তথা বিষয়ববীয়াসকলৰ সৈতে আলোচনাত মিলিত হয়। তেওঁ লগতে অসম এথলেটিকছ্ সন্থাৰ অধীনত চলি থকা অন্যান্য পদক্ষেপসমূহৰো অগ্ৰগতি সম্পৰ্কে বুজ লয়।

০০০০০০

গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা অসম তথা উত্তৰ-পূবৰ হজযাত্ৰীৰ এইবাৰৰ প্ৰথমটো দল মক্কা অভিমুখে যাত্ৰা কৰিব। কালি সন্ধিয়া গুৱাহাটীৰ হাজি মুছাফিৰখানাত উত্তৰ-পূবৰ হজযাত্ৰীসকলক বিদায় সম্ভাষণ জনোৱাৰ বাবে এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানত গুৱাহাটীত থকা বাংলাদেশৰ সহকাৰী উচ্চায়ুক্ত ৰুহুল আমিন, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে, অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পৰা এইবাৰ ৩ হাজাৰ ৭০৮ গৰাকী হজযাত্ৰী হজ যাত্ৰাৰ বাবে ৰাওনা হ'ব। হজ যাত্ৰা কৰিবলগীয়া যাত্ৰীসকলৰ ভিতৰত ৩ হাজাৰ ৬৫৮ গৰাকী অসমৰ হোৱা বিপৰীতে ৩৬ গৰাকী মেঘালয় আৰু ৭ গৰাকী নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশৰ লোক।

০০০০০০

ওৰাং ৰাষ্ট্ৰীয় উদ্যান আজিৰে পৰা পৰ্যটকৰ বাবে বন্ধ ঘোষণা কৰিছে। ১২৫টা গঁড়, ২৬টা বাঘৰ উপৰি হাতী, হৰিণ আৰু বিভিন্ন প্ৰজাতিৰ চৰাইৰ বিচৰণ ভূমিৰ এই ৰাষ্ট্ৰীয় উদ্যানখনত জীপ চাফাৰী আৰু হাতী চাফাৰী বন্ধ থাকিব বুলি মঙলদৈ বন্যপ্ৰাণী সংমণ্ডলে ঘোষণা কৰিছে। উল্লেখযোগ্য যে, প্ৰতি বছৰৰ দৰে এইবাৰো বাৰিষা আগতীয়াকৈ অহাৰ বাবে উদ্যানৰ ভিতৰৰ পথ বেয়া হোৱাত যান-বাহনৰ চলাচল ব্যাহত হৈ পৰিছে। উদ্যান কৰ্তৃপক্ষই পৰৱৰ্তী সময়ত কেতিয়াকৈ পৰ্যটকৰ বাবে পুনৰ মুকলি কৰা হ'ব সেই বিষয়ে অৱগত কৰাব।

০০০০০০

পাঞ্জাব কিংছে যোৱানিশা গুৱাহাটীত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰাজস্থান ৰয়েলছক ৫ উইকেটত  পৰাস্ত কৰে। খেলখনত ৰাজস্থান ৰয়েলছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেটৰ বিনিময়ত ১৪৪ ৰান কৰে। ৰাজস্থানৰ হৈ ৰিয়ান পৰাগে ৩৪টা বলত ৪৮ ৰান কৰে। পাঞ্জাব কিংছে আৰম্ভণিতে ৰিলে ৰোচ'ৰ আৰু শশাংক সিঙৰ উইকেট হেৰুৱাই বিপৰ্যয়ৰ সন্মুখীন হয় যদিও ৪১টা বলত ৬৩ ৰান কৰি অপৰাজিত হৈ ৰোৱা ছেম কুৰেন আৰু জিতেশ শৰ্মাৰ যুটীয়ে আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে দলটোৱে সহজে জয় লাভ কৰে। পাঞ্জাব কিংছে ১৮ অভাৰ আৰু ৫টা বলত ৫টা উইকেট হেৰুৱাই ১৪৫ ৰান কৰে। ৰাজস্থানৰ হৈ অৱেশ খান আৰু যুজবেন্দ্ৰ চহলে দুটাকৈ উইকেট দখল কৰে।

ৰাজস্থান ৰয়েলছে কালিৰ ফলাফলৰ পাছত একেৰাহে ৪ খন খেলত পৰাজয় বৰণ কৰিছে যদিও দলটো ১৬ পইণ্টেৰে প্ৰতিযোগিতাৰ পইণ্ট তালিকাত দ্বিতীয় স্থানত আছে। আনহাতে পাঞ্জাব কিংছ্ পইণ্ট তালিকাৰ দশম স্থানৰ পৰা নৱম স্থানলৈ উন্নীত হৈছে।

প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ্ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। হায়দৰাবাদে বৰ্তমানলৈকে ১৪ পইণ্ট অৰ্জন কৰি প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ চতুৰ্থ স্থানত আছে। শুভমন গিল নেতৃত্বাধীন গুজৰাট টাইটানছ ১১ পইণ্টেৰে অষ্টম স্থানত আছে। উল্লেখযোগ্য যে, কলকাতা নাইট ৰাইডাৰ্ছ ১৯ পইণ্টেৰে পইণ্ট তালিকাৰ শীৰ্ষত আছে।

০০০০০০

ভিয়েটনামত অনুষ্ঠিত হৈ থকা অষ্টম ছিনিয়ৰ এছিয়ান টাইকোৱাণ্ডো চেম্পিয়নশ্বিপত অসমৰ হৰ্ষা সিনহাই ভাৰতক প্ৰতিনিধিত্ব কৰি ৰূপৰ পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। যোৱা ১৪ মে'ৰ পৰা আৰম্ভ হোৱা প্ৰতিযোগিতাখনৰ দ্বিতীয় দিনটোত হৰ্ষাই পুমশ্বে শাখাত এই সফলতা লাভ কৰিছে। তেওঁৰ আন দুগৰাকী সতীৰ্থ আছিল সীতা আৰু ঊষা ধামনাস্কা। খেলুৱৈ কেইগৰাকীৰ সফলতাত টাইকোৱাণ্ডো ফেডাৰেচন অৱ ইণ্ডিয়াই শুভেচ্ছা জনাইছে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাত অহা ১৮ মে'ত অসমৰ এগৰাকী টাইকোৱাণ্ডো খেলুৱৈ ৰ'দালী বৰুৱায়েও প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০

অলিম্পিকত সোণৰ পদক বিজেতা নীৰজ চোপ্ৰাই কালি ভূৱনেশ্বৰত অনুষ্ঠিত ফেডাৰেচন কাপ প্ৰতিযোগিতাৰ পুৰুষৰ জেভলিন থ্ৰোত সোণৰ পদক অৰ্জন কৰে। ২৬ বছৰীয়া চোপ্ৰাই প্ৰতিযোগিতাৰ প্ৰাৰম্ভিক ৰাউণ্ডত যুঁজ কৰিবলগীয়া হয় আৰু প্ৰথম তিনিটা ৰাউণ্ডৰ অন্তত দ্বিতীয় স্থানত থাকে। খেলুৱৈগৰাকীয়ে চতুৰ্থ ৰাউণ্ডত ২৮ দশমিক ২-৭ মিটাৰলৈ জেভলিন থ্ৰো কৰি অগ্ৰগতি লাভ কৰে।

০০০০০০

শ্বেয়াৰ মাৰ্কেট, মিউচুৱেল ফাণ্ডৰ লেখীয়া অৰ্থ বজাৰৰ বিনিয়োগ ক্ষেত্ৰবোৰৰ প্ৰতি ৰাজ্যৰ লাখ লাখ লোক আকৰ্ষিত হৈছে। মাত্ৰ এটা বছৰৰ ভিতৰত শ্বেয়াৰ মাৰ্কেটত ধন বিনিয়োগ কৰা অসমৰ লোকৰ সংখ্যা ৩৫ শতাংশ বৃদ্ধি পাইছে। **দৈনিক অসম** কাকতে  এই বাতৰিক গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰত শুল্ক বিভাগৰ ড্ৰাগছ বিৰোধী অভিযানত অভিনৱ পন্থাৰে অসমলৈ মাৰাত্মক ৰবিহ ককেইন সৰবৰাহ কৰা এজন ইণ্ডোনেছিয়াৰ যুৱক গ্ৰেপ্তাৰ হৈছে। উল্লেখযোগ্য যে, যুৱকজনে অস্ত্ৰ পচাৰৰ জৰিয়তে ৪০০ গ্ৰাম কোকেইন পেটৰ ভিতৰত লৈ আনিছিল। এয়া **নিয়মীয়া বাৰ্তা** কাকতত প্ৰকাশিত বাতৰি।

কাৰ অধীনত ১৪ গৰাকী শৰণাৰ্থীক ভাৰতীয় নাগৰিককত্ব প্ৰদান কৰা বাতৰি **দি আছাম ত্ৰিবিউন** কাকতে শীৰ্ষ স্থান দিয়াৰ লগতে আন আন কাকতসমূহে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

পৰিসংখ্যা আৰু কৰ্মসূচী মন্ত্ৰণালয়ৰ ৰাষ্ট্ৰীয় একাউণ্ট পৰিসংখ্যা ২০২৪ৰ মতে বিগত ৩ বছৰত বেংক একাউণ্টত গৃহস্থী জমাৰ পৰিমাণ ৯ লাখ কোটি টকা হ্ৰাস হোৱাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতত প্ৰকাশ হৈছে।

বিহাৰত সংঘটিত এটা পথ দুৰ্ঘটনাত অসম আৰক্ষীৰ প্ৰায় ৩০ গৰাকী জোৱান আহত হৈছে। নিৰ্বাচনী কৰ্তব্য পালনৰ উদ্দেশ্যে অসম আৰক্ষীৰ জোৱান কঢ়িয়াই নিয়া এখন বাছ আৰু ট্ৰাকৰ মুখামুখি সংঘৰ্ষৰ ফলত এই দূৰ্ঘটনা সংঘটিত হয়। **অসমীয়া খবৰ** কাকতে এই বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

ৰাজ্যত প্ৰচলিত আইন অনুসৰি অসমীয়া ভাষাৰ ব্যৱহাৰ সুনিশ্চিত কৰিবলৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত এখন ৰাজহুৱা স্বাৰ্থ জড়িত আৱেদন অধিবক্তা সন্দীপ চমৰীয়াই দাখিল কৰিছে। এয়া **দ্যা ছেণ্টিনেল** কাকতৰ শীৰ্ষ বাতৰি।

ধনৰ অবৈধ লেন-দেনৰ গোচৰত ই ডিয়ে ঝাৰখণ্ডৰ কংগ্ৰেছ মন্ত্ৰী আলমগিৰ আলমক গ্ৰেপ্তাৰ কৰাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতত প্ৰকাশ হৈছে।

ব্ৰিটিইনৰ ঔষধ প্ৰস্তুত কৰা কোম্পানী আষ্ট্ৰজেনেকাৰ ক'ৰ'ণা ভেকচিন গ্ৰহণ কৰি ৪২ গৰাকী এগৰাকী মহিলা স্থায়ীভাৱে অক্ষম হোৱাৰ অভিযোগ উত্থাপিত হৈছে। **দৈনিক জনমভূমি** কাকতে এই  বাতৰিক বিশেষ গুৰুত্ব দিছে।

বিহাৰলৈ নিৰ্বাচনী কৰ্তব্য পালন কৰিবলৈ গৈ বিলাসীপাৰাৰ অসম আৰক্ষীৰ জোৱান মিণ্টু ৰায়ৰ গংগা নৈত গা ধুই থাকোতে সন্ধানহীন হোৱাৰ বাতৰি **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে- গুৱাহাটীৰ সক্ৰিয় সমাজকৰ্মী ৰাধা বৰাৰ দেহাৱসান, ভৱানীপুৰত চি ই ইউ টি পৰীক্ষাত ছাত্ৰৰ লগুণ ফলাৰ অভিযোগ, গোৰেশ্বৰত দাৰে ডিঙিত ঘপিয়াই পিতৃক হত্যা পুত্ৰৰ, মঞ্চত জুবিনক সাৱটি ধৰি নিলম্বিত চাবুৱাৰ আৰক্ষী জোৱান ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত